NEWZ NOW

সংখ্যা ৩০ | সোমবাৰ, ২৩ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

দেশ

# এছিয়াৰ দ্বিতীয় সর্বাধিক প্রভাৱশালী নেতা হিচাপে মূল্যায়ন প্রধানমন্ত্রী মোদীৰ, শক্তি সূচকাংকত ভাৰত তৃতীয় স্থানত

২০২৬ বর্ষৰ এছিয়া পাৱাৰ ইনডেক্সত ভাৰতে নিজৰ স্থান সুদৃঢ় কৰিছে। অঞ্চলটোৰ দ্বিতীয় সর্বাধিক কার্যকৰী নেতা হিচাপে স্বীকৃতি লাভ কৰিছে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে।



NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৮

অষ্ট্রেলিয়াৰ চিডনীস্থিত গৱেষণা প্রতিষ্ঠান লৱি ইনষ্টিটিউটৰ শেহতীয়া প্রতিবেদন অনুসৰি এছিয়া মহাদেশত ভাৰতে নিজৰ আঞ্চলিক প্রভাৱ বৃদ্ধি কৰি তৃতীয় স্থান অক্ষুণ্ণ ৰাখিছে। ২০২৬ বর্ষৰ 'এছিয়া পাৱাৰ ইনডেক্স'ত ভাৰতে সর্বমুঠ ৪০.৫ নম্বৰ লাভ কৰি আমেৰিকা যুক্তৰাষ্ট্র আৰু চীনৰ ঠিক পিছতেই স্থান দখল কৰিছে। ইয়াৰ সমান্তৰালকৈ প্রধানমন্ত্রী নৰেন্দ্র মোদীক চীনৰ ৰাষ্ট্রপতি ছি জিনপিঙৰ পিছতেই এছিয়াৰ দ্বিতীয় সর্বাধিক কার্যকৰী আঞ্চলিক নেতা হিচাপে মূল্যায়ন কৰা হৈছে। এই সূচকাংকত আঞ্চলিক নেতৃত্বৰ মাপকাঠিত মোদীৰ স্থান তিনিটা ধাপ ওপৰলৈ উঠিছে।

প্রকাশিত প্রতিবেদনখনত উল্লেখ কৰা হৈছে যে কেইবাটাও আভ্যন্তৰীণ প্রত্যাহ্বান আৰু অর্থনৈতিক জটিলতাৰ পাছতো এছিয়াত ভাৰতৰ প্...

সম্পূর্ণ খবৰ:
https://newznow.in/news/5500

অসম

## আছুৰ সংবিধান গ্রহণৰ ৬০ বছৰ সম্পূর্ণ: হীৰক জয়ন্তীৰ বছৰজোৰা কার্যসূচী আৰু নতুন প্রতীকচিহ্ন উন্মোচন



পঢ়ক: https://newznow.in/news/5679

ৰাজনীতি

## 'ৰামলীলা ময়দানৰ আধা অংশও পূৰণ কৰিব নোৱাৰিলে ৰাহুল গান্ধীয়ে' - কটাক্ষ BJP সভাপতি নীতিন নবীনৰ



পঢ়ক: https://newznow.in/news/5657

অসম

## অখিল গগৈৰ বিৰুদ্ধে ধর্ষণৰ গুৰুতৰ অভিযোগ বিজেপি নেতা শৈলেন কলিতাৰ, ফেচবুক লাইভযোগে মুকলি প্রত্যাহ্বান



পঢ়ক: https://newznow.in/news/5645

দেশ

## প্রধানমন্ত্রী মোদীৰ নীতিৰ বাবে ভাৰততেই পেট্র'ল-ডিজেলৰ মূল্যবৃদ্ধি সর্বনিম্ন! দাবী কেন্দ্রীয় মন্ত্রী হৰদীপ সিং পুৰীৰ



পঢ়ক: https://newznow.in/news/5524

ৰাজনীতি

## 'ৰাজীৱ গান্ধী আৰু ছোনিয়া গান্ধী শিৱ-পাৰ্বতী নেকি?' ৰাহুল গান্ধীক কটাক্ষ হিমন্ত বিশ্ব শৰ্মাৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৫০



গুৱাহাটী, ২৩ নৱেম্বৰ: কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ অৰ্ধনাৰীশ্বৰ সম্পৰ্কীয় এক ছ'চিয়েল মিডিয়া পোষ্টক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দেওবাৰে ৰাহুল গান্ধীক সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰশ্ন কৰে যে ৰাজীৱ গান্ধী আৰু ছোনিয়া গান্ধী এতিয়া শিৱ আৰু পাৰ্বতী নেকি।

ৰাহুল গান্ধীয়ে দেওবাৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত এলিফেণ্টা গুহাৰ অৰ্ধনাৰীশ্বৰ মূৰ্তিৰ এখন ছবি প্ৰকাশ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5605

দেশ

## ইউটিউবাৰ ধ্ৰুৱ ৰাঠীৰ বিৰুদ্ধে দিল্লীৰ আদালতৰ জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৬



নতুন দিল্লী, ২৩ নৱেম্বৰ: ২০১৮ চনৰ এটা মানহানিৰ গোচৰত জনপ্ৰিয় ইউটিউবাৰ ধ্ৰুৱ ৰাঠীৰ বিৰুদ্ধে দিল্লীৰ এখন আদালতে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। সোমবাৰে দিল্লীৰ ছাকেত আদালতৰ ন্যায়িক দণ্ডাধীশ অনাম ৰায়ছ খানে এই নিৰ্দেশ দিয়ে। গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৩ ডিচেম্বৰ ধাৰ্য কৰা হৈছে।

বিকাশ সংস্কৃতায়ন নামৰ এগৰাকী ব্যক্তিয়ে দাখিল কৰা এক অভিযোগৰ ভিত্তিত এই গোচৰটো ৰুজু কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5528

দেশ

## বাবাৰ যুঁজ! 'বেদ-মহাভাৰত একোৱেই পঢ়া নাই', ধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰীক 'ভণ্ড' আৰু 'ধূর্ত' আখ্যা বাবা ৰামদেৱৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:২০



ভগৱান ৰাম আৰু শ্ৰীকৃষ্ণক লৈ কৰা এক মন্তব্যৰ পৰিপ্ৰেক্ষিতত বাগেশ্বৰ ধামৰ পীঠাধীশ ধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰীক তীব্ৰ সমালোচনা কৰিছে যোগগুৰু বাবা ৰামদেৱে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5587

আন্তঃৰাষ্ট্ৰীয়

## বাংলাদেশত হিন্দুৰ ওপৰত নিৰ্যাতন: হিন্দুসকলক ৰাজপথলৈ ওলাই আহিবলৈ আহ্বান পশ্চিমবংগ বিজেপিৰ সভাপতি শমিক ভট্টাচাৰ্যৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, নিশা ১১:৫৮



কলকাতা, ২২ নৱেম্বৰ: বাংলাদেশত হিন্দু ধর্মাৱলম্বী লোকসকলৰ ওপৰত চলি থকা নিৰ্যাতনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে পশ্চিমবংগ বিজেপিৰ সভাপতি শমিক ভট্টাচাৰ্যই। দেওবাৰে সংবাদ মাধ্যমৰ আগত এই আহ্বান জনায় বিজেপি নেতা তথা ৰাজ্যসভাৰ সাংসদগৰাকীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5387

দেশ

## বিচলেৰীৰ বিৰুদ্ধে আদালতত গোচৰ তৰাৰ অনুমোদন এফএছএছএআইৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৮




নতুন দিল্লী: পেকেজড খোৱাপানী প্ৰস্তুতকাৰী প্ৰতিষ্ঠান বিচলেৰী ইণ্টাৰনেচনেল প্ৰাইভেট লিমিটেডৰ পানীৰ নমুনা পৰীক্ষাত অনিৰাপদ বুলি চিনাক্ত হোৱাৰ পাছত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে খাদ্য সুৰক্ষা আৰু মান আইন, ২০০৬-ৰ অধীনত আদালতত গোচৰ ৰুজু কৰাৰ আনুষ্ঠানিক অনুমোদন জনাইছে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান নিৰ্ধাৰণ প্ৰাধিকৰণে (এফএছএছএআই)। পৰীক্ষাগাৰৰ বিশ্লেষণত নিৰ্ধাৰিত মাত্ৰাতকৈ অধিক উপাদান ধৰা পৰাৰ পাছত নিয়ন্ত্ৰক সংস্থাটোৱে এই ব্যৱস্থা গ্ৰহণ কৰে।

এফএছএছএআয়ে জনোৱা অনুসৰি, বিচলেৰী ইণ্টাৰনেচনেলৰ চৌহদৰ পৰা পেকেজড খোৱাপানীৰ (খনিজ পানীৰ বা...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5481

অসম

## জুবিন গাৰ্গৰ Range rover বিক্ৰীৰ সিদ্ধান্তত চৰকাৰৰ ক'বলগীয়া নাই: মুখ্যমন্ত্ৰী

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৮



২২ নৱেম্বৰ ,২০২৬

'জুবিন গাৰ্গৰ পৰিয়ালে সিদ্ধান্তত চৰকাৰৰ ক'বলগীয়া নাই' 'জুবিন গাৰ্গৰ মৃত্যুৰ পাছতে পৰিয়ালক মাহেকীয়া সহায়ৰ প্ৰস্তাৱ দিছিল চৰকাৰে '-মুখ্যমন্ত্ৰী

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5504

দেশ

## ভাৰত-বাংলাদেশ সীমান্তত BSF জোৱান নিৰুদ্দেশ, বাংলাদেশলৈ অপহৰণৰ সন্দেহ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪১



শ্ৰীভূমি, ২৩ নৱেম্বৰ: ভাৰত-বাংলাদেশ সীমান্তত কৰ্তব্যৰত অৱস্থাত বিএছএফৰ ৭৫ নম্বৰ বেটেলিয়নৰ এজন জোৱান নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সন্ধানহীন জোৱানজনক কে ভেনু বুলি চিনাক্ত কৰা হৈছে। তেওঁ হৰিনগৰ বিঅ'পিত কৰ্তব্যৰত আছিল।

জানিব পৰা মতে, নিশা সীমান্তত নিয়মীয়া টহল দি থকাৰ সময়ত বিএছএফৰ জোৱানসকলে নদীপথেৰে বাংলাদেশলৈ ম'হ সৰবৰাহৰ চেষ্টা চলোৱা এটা সন্দেহযুক্ত দলক প্ৰত্যক্ষ কৰে। চোৰাং সৰবৰাহকাৰীৰ দলটোক বাধা দিবলৈ যাওঁতেই কে ভেনু বৰাক নদীত পৰি যায়। ইয়াৰ পিছৰে পৰা জোৱানজন সন্ধানহীন হৈ পৰে।

প্ৰাৰম্ভিকভাৱে বাংলাদেশী দুৰ্বৃত্তই জোৱানজনক অপহৰণ কৰাৰ সন্দেহ প্ৰকাশ কৰা হৈছে যদিও এই সন্দৰ্ভত কোনো আনুষ্ঠানিক নিশ্চিতি পোৱা হোৱা নাই। জোৱানজনৰ নিৰুদ্দেশৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই।

ঘটনাৰ পাছতে এছডিআৰএফে বৰাক নদীত ব্যাপক উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। বিএছএফৰ জ্যেষ্ঠ বিষয়াসকলেও ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযানৰ তদাৰক কৰিছে। সন্ধানহীন জোৱানজনৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5516

ৰাজনীতি

## নেহৰু নাথাকিলে আমাৰ হাতত ইণ্টাৰনেট নাথাকিলহেঁতেন: অভিজিৎ দীপক

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫১



ককৰোচ জনতা পাৰ্টীৰ নেতা অভিজিৎ দীপকে সোমবাৰে ক'লে, পণ্ডিত জৱাহৰলাল নেহৰু নাথাকিলে দেশত ইণ্টাৰনেট বা আজিৰ বৈদ্যুতিন সঁজুলিবোৰ নাথাকিলহেঁতেন।

আধুনিক ভাৰত আৰু প্ৰযুক্তিগতভাৱে আগবঢ়া ভাৰতৰ ভেটি নেহৰুৱে গঢ়িছিল বুলি তেওঁ ক'লে।

তেওঁৰ মতে, সেই সময়ত আন কোনোৱে ইমান দূৰলৈ চিন্তা নকৰোঁতেই নেহৰুৱে এই দিশত আগবাঢ়িছিল।

নেহৰুৱে দেখুওৱা পথৰ পৰা যাতে দেশ আঁতৰি নাযায়, সেয়া নিশ্চিত কৰিব লাগিব বুলি অভিজিৎ দীপকে ক'লে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5542

উত্তৰ-পূৰ্বাঞ্চল

## ত্রিপু�ৰাৰ পৌৰ নিৰ্বাচনত নাথাকে ঘৰত বহি ভোটদানৰ ব্যৱস্থা, ভোটকেন্দ্ৰত উপলব্ধ হ'ব হুইল চেয়াৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৬




আগৰতলা, ২৩ নৱেম্বৰ: ত্রিপুৰাৰ আগন্তুক পৌৰসভা নিৰ্বাচনত ভোটাৰসকলৰ বাবে ঘৰত বহি ভোটদান কৰাৰ কোনো ব্যৱস্থা নাথাকে। অৱশ্যে জ্যেষ্ঠ নাগৰিক তথা বিশেষভাৱে সক্ষম লোকসকলে যাতে কোনো অসুবিধা নোহোৱাকৈ ভোটদান কৰিব পাৰে, তাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে বিশেষ পদক্ষেপ গ্ৰহণৰ প্ৰস্তুতি চলাইছে।

ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিশেষভাৱে সক্ষম আৰু বৃদ্ধ ভোটাৰসকলৰ সুবিধাৰ্থে হুইল চেয়াৰৰ যোগান ধৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগে সমাজ কল্যাণ বিভাগলৈ আনুষ্ঠানিকভাৱে পত্ৰ প্ৰেৰণ কৰিছে।

আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে, ত্রিপুৰা পৌৰসভা (নিৰ্বাচন পৰিচালনা) নিয়ম, ১৯৯৫ৰ অধীনত সাধাৰ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5567

উত্তৰ-পূৰ্বাঞ্চল

## মণিপুৰত এম্বুলেন্স আৰু বিএছএফৰ বাহনৰ মুখামুখি সংঘৰ্ষ: অন্তঃসত্ত্বা মহিলাৰ মৃত্যু

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৯



মণিপুৰ, ২৩ নৱেম্বৰ: মণিপুৰত এখন এম্বুলেন্স আৰু সীমান্ত সুৰক্ষা বাহিনীৰ (বিএছএফ) বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত এগৰাকী অন্তঃসত্ত্বা মহিলাৰ মৃত্যু ঘটে। এই ভয়াৱহ পথ দুৰ্ঘটনাত কেইবাজনো লোক আহত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5550

দেশ

## ইংৰাজী নাম সলনি কৰি 'পশ্চিমবংগ' কৰাৰ প্ৰস্তাৱ: ৯ ডিচেম্বৰত বিধানসভাত উত্থাপনৰ সম্ভাৱনা

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৮




কলকাতা, ২৩ নৱেম্বৰ: পশ্চিমবংগৰ ইংৰাজী নাম 'ৱেষ্ট বেংগল'ৰ পৰিৱৰ্তে 'পশ্চিমবংগ' কৰাৰ এক প্ৰস্তাৱ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5665

অসম

## ৰাজীৱ ভৱনত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ মৃত্যু বাৰ্ষিকী পালন

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



গুৱাহাটী, ২৩ নৱেম্বৰ: অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ ষষ্ঠ মৃত্যু বাৰ্ষিকী উপলক্ষে শনিবাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত সৰ্বধৰ্মীয় প্ৰাৰ্থনা আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰয়াত নেতাগৰাকীৰ কৰ্মময় জীৱন, জনসেৱাৰ আদৰ্শ আৰু অসমৰ সৰ্বাংগীণ উন্নয়নত আগবঢ়োৱা অৱদানক কংগ্ৰেছৰ নেতা-কৰ্মীসকলে শ্ৰদ্ধাৰে স্মৰণ কৰে।

অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাক্তন সাংসদ বলীন কুলী, বিৰোধী দলৰ প্ৰাক্তন দলপতি দেৱব্ৰত শইকীয়া আৰু বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ টংক বাহাদুৰ ৰায়ে বন্তি প্ৰজ্বলন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5660

দেশ

## মাদ্ৰাছাত হিন্দুসকলৰ প্ৰতি ঘৃণাৰ শিক্ষা দিয়া হয়: নীতেশ ৰাণে

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১৫




মুম্বাই, ২৩ নৱেম্বৰ: মুম্বাইৰ ঘাটকোপাৰত এহাল যুৱক-যুৱতীক আক্ৰমণ কৰাৰ ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5649

অসম

## ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱাৰ্ড বিটিআৰত অন্তৰ্ভুক্তিৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১৬




ৰঙিয়া, ২৩ নৱেম্বৰ: ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱাৰ্ডক বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিঅ'ন চুকৈ বিটিআৰত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিছে স্থানীয় ৰাইজ। সোমবাৰে অঞ্চলটোৰ শতাধিক পুৰুষ-মহিলাই হাতে হাতে বেনাৰ আৰু প্লেকাৰ্ড লৈ এক প্ৰতিবাদী সমদল উলিয়ায়। শতাধিক ক্ষুব্ধ পুৰুষ-মহিলাই হাতে হাতে বেনাৰ আৰু প্লেকাৰ্ড লৈ এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়।

ইছগেট চ'কৰ পৰা আৰম্ভ হোৱা এই প্ৰতিবাদী সমদলটো ৰঙিয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়লৈ যায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5651

দেশ

## হাৰিয়ানাৰ হিসাৰত সামৰিক অনুশীলনৰ সময়ত টেংকৰ চেপাত সেনাৰ দুই জোৱানৰ কৰুণ মৃত্যু

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৬:০৬



নতুন দিল্লী, ২৩ নৱেম্বৰ: হাৰিয়ানাৰ হিসাৰত সেনাৰ সামৰিক অনুশীলন চলি থকাৰ সময়তে সংঘটিত হৈছে এক শোকাৱহ দুৰ্ঘটনা। অনুশীলনৰ মাজতে টেংকৰ চেপাত পৰি ভাৰতীয় সেনাৰ দুই জোৱানৰ কৰুণ মৃত্যু ঘটে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5641

প্ৰযুক্তি

## WhatsApp Web ব্যৱহাৰকাৰী সতৰ্কবাণী! আপোনাৰ পৰিচয় ব্যৱহাৰ কৰি হ'ব পাৰে চাইবাৰ প্ৰৱঞ্চনা

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৫




নতুন দিল্লী, ২৩ নৱেম্বৰ: কম্পিউটাৰত হোৱাটছএপ ৱেব ব্যৱহাৰ কৰা লোকসকলৰ বাবে এক জৰুৰী সতৰ্কবাণী জাৰি কৰিছে ইণ্ডিয়ান চাইবাৰ ক্ৰাইম ক'অৰ্ডিনেচন চেণ্টাৰ চমুকৈ আইফ'ৰচিৰ অধীনস্থ নেচনেল চাইবাৰক্ৰাইম থ্ৰেট এনালিটিক্স ইউনিট চমুকৈ এনচিটিএইউৱে। ২৩ নৱেম্বৰত জাৰি কৰা এই নিৰ্দেশনাৱলীত কোৱা হৈছে যে কেৱল ব্ৰাউজাৰৰ টেব বা উইণ্ড' বন্ধ কৰিলেই হোৱাটছএপ ৱেবৰ একাউণ্টৰ পৰা লগ-আউট নহয়।

সংস্থাটোৰ মতে, এনেদৰে সক্ৰিয় হৈ থকা ছেছনৰ সুযোগ লৈ চাইবাৰ অপৰাধীয়ে ব্যৱহাৰকাৰীৰ একাউণ্ট নিজৰ নিয়ন্ত্ৰণলৈ আনিব পাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5633

অসম

## ডিগবৈৰ ২নং বৰবিলত দুদিনীয়া কাৰ্যসূচীৰে তৃতীয় বাৰ্ষিক শ্ৰীশ্ৰী কৃষ্ণৰ মহাৰাসলীলা মহোৎসৱৰ আয়োজন

বিজয় সূত্ৰধৰ | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:১২



ডিগবৈ, ২৩ নৱেম্বৰ: মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টিৰ অন্যতম হৈছে শৰৎকালীন ৰাস মহোৎসৱ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5625

আন্তঃৰাষ্ট্ৰীয়

## ৰাছিয়া-ইউক্ৰেইন যুদ্ধত ৰাছিয়াৰ হৈ যুঁজিছে অসমৰ যুৱক! সোণাইৰ মুন্নাৰ সন্ধানহীনতাক লৈ চাঞ্চল্য, কামৰ প্ৰলোভন দি ৰাছিয়ালৈ নিয়াৰ অভিযোগ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৪



শিলচৰ, ২৩ নৱেম্বৰ: কৰ্মসংস্থাপনৰ প্ৰলোভন দেখুৱাই অসমৰ যুৱকক ৰাছিয়ালৈ নি সেনা বাহিনীত যোগদান কৰোৱাৰ এক গুৰুতৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কাছাৰ জিলাৰ সোণাই সমষ্টিৰ অন্তৰ্গত তুলাৰগ্ৰাম প্ৰথম খণ্ডৰ বাসিন্দা আব্দুল মুক্তাদিৰ লস্কৰ ওৰফে মুন্না নামৰ এজন যুৱক সন্ধানহীন হৈ পৰাৰ পাছতে এই তথ্য পোহৰলৈ আহিছে।

পৰিয়ালৰ অভিযোগ অনুসৰি, আজাৰবাইজানত কাম কৰাৰ সুযোগ পোৱা বুলি ঘৰৰ পৰা ওলাই যোৱা মুক্তাদিৰক পৰৱৰ্তী সময়ত ৰাছিয়াৰ সেনাবাহিনীত অন্তৰ্ভুক্ত কৰা হয় আৰু ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ৰণাংগনলৈ প্ৰেৰণ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5636

অসম

## ৰাজ্যত ৩০ নৱেম্বৰত চৰকাৰী বন্ধ ঘোষণা ১১ খনকৈ জিলাত

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৪




২৩ নৱেম্বৰ, ২০২৬

সোণোৱাল কছাৰী আৰু মিছিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অহা ৩০ নৱেম্বৰত ৰাজ্যৰ ১১খন জিলাৰ নিৰ্বাচনী এলেকাত অসম চৰকাৰে বন্ধ ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5613

অসম

## ডিগবৈৰ নাজিৰাটিঙত বনৰীয়া হাতীৰ আক্ৰমণত কৃষকৰ কৰুণ মৃত্যু, বন বিভাগৰ বিৰুদ্ধে সৰৰ গোৰ্খা ছাত্ৰ সন্থা

বিজয় সূত্ৰধৰ | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:২৯



ডিগবৈৰ নাজিৰাটিঙত বনৰীয়া হাতীৰ আক্ৰমণত এজন কৃষকৰ কৰুণ মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। নিহত কৃষকজন ভাকু বস্তিৰ বাসিন্দা গংগা চবৰ বুলি জানিব পৰা গৈছে।

নিশা নিজৰ ধাননি পথাৰখন বনৰীয়া হাতীৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে পথাৰৰ মাজত থকা টঙী ঘৰত পহৰা দি আছিল কৃষক গংগা চবৰে। নিশা প্ৰায় ২ বজাত বনাঞ্চলৰ পৰা কেইবাটাও বনৰীয়া হাতী ওলাই আহি পথাৰত প্ৰৱেশ কৰি ধান খোৱা প্ৰত্যক্ষ কৰি তেওঁ চিঞৰ-বাখৰ কৰে। ইয়াৰ পিছতে উত্তেজিত হাতীৰ জাকটোৱে টঙী ঘৰটো ভাঙি পেলোৱাৰ লগতে গংগা চবৰক আক্ৰমণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5621

অসম

## গুৱাহাটীত ই-ৰিক্সা চালকৰ বাবে প্ৰশাসনৰ কঠোৰ নিৰ্দেশনা: অমান্য কৰিলে হ'ব আইনী ব্যৱস্থা

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৩২



গুৱাহাটী, ২৩ নৱেম্বৰ: মহানগৰীৰ ৰাজপথত ই-ৰিক্সা চলাচলৰ ক্ষেত্ৰত প্ৰশাসনৰ নিৰ্দেশনা মানি চলাটো চালকসকলৰ বাবে বাধ্যতামূলক কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5583

অসম

## দুলীয়াজানৰ ত্ৰিপল মাৰ্ডাৰ কাণ্ডৰ তদন্তত নতুন মোৰ! তিনিচুকীয়াৰ হোটেলত দুই অভিযুক্তক লৈ ডিব্ৰুগড় আৰক্ষীৰ অভিযান

অভিজিৎ বিশ্বাস | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৫:২৮



দুলীয়াজানৰ চাঞ্চল্যকৰ ত্ৰিপল মাৰ্ডাৰ কাণ্ডৰ তদন্তত নতুন মোৰ। হত্যাকাণ্ডৰ সৈতে জড়িত আন কোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ সম্পৰ্ক আছে নেকি, সেই দিশটো চালি-জাৰি চাইছে ডিব্ৰুগড় আৰক্ষীয়ে। এইবাৰ আৰক্ষীৰ তদন্তৰ আওতালৈ আহিছে তিনিচুকীয়াৰ তিনিকোণীয়াস্থিত এখন হোটেল।

হোটেলখনৰ সৈতে হত্যাকাণ্ড সংঘটিত হোৱাৰ পূৰ্বে অথবা ঘটনাৰ পিছত দুই অভিযুক্তৰ কোনো ধৰণৰ সম্পৰ্ক আছিল নেকি, সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। দুই অভিযুক্তক লগত লৈ হোটেলখনত উপস্থিত হৈ বিভিন্ন দিশ পৰীক্ষা কৰিছে তদন্তকাৰী দলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5617

অসম

## ৰহাত এজাক বৰষুণতে পথত একাঠু বোকা: বিধায়কৰ হস্তক্ষেপ বিচাৰি ৰাইজৰ ক্ষোভ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৬



ৰহা, ২৩ নৱেম্বৰ: নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰুৱাট মৌজাৰ গেৰজাইপাম গাঁও পঞ্চায়তৰ ৯নং ৱাৰ্ডৰ ফাকলি গাঁৱৰ এটা জৰাজীৰ্ণ পথে ৰাইজক চৰম দুৰ্ভোগত পেলাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5601

অসম

## নাৰেংগীত ২৫ লাখ টকাসহ উদ্ধাৰ হোৱা মৃতদেহৰ পৰিচয় চিনাক্ত

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৬



গুৱাহাটী: গুৱাহাটীৰ নাৰেংগী ৰে'ল ষ্টেচনৰ সমীপৰ ৰে'লপথত প্ৰায় ২৫ লাখ নগদ টকাসহ উদ্ধাৰ হোৱা মৃতদেহটোৰ পৰিচয় আৰক্ষীয়ে চিনাক্ত কৰিছে। মৃত ব্যক্তিগৰাকী বিশ্বজিৎ দেৱনাথ বুলি জানিব পৰা গৈছে।

শনিবাৰে সন্ধিয়া প্ৰায় ৭ বজাত স্থানীয় ৰাইজে ৰে'লপথত মৃতদেহটো প্ৰত্যক্ষ কৰি ৰে'ল আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে ব্যক্তিগৰাকীৰ ওচৰত বৃহৎ পৰিমাণৰ নগদ ধন জব্দ কৰে। পিছত এই ধনৰ পৰিমাণ প্ৰায় ২৫ লাখ টকা বুলি জানিব পৰা যায়।

আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি, বিশ্বজিৎ দেৱনাথে গুৱাহাটীৰ পৰা শ্ৰীভূমিলৈ যাত্ৰা কৰাৰ কথা আছিল।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5576

অসম

## ধিং সমষ্টিত কৃষকৰ মাজত ১,০০০ নাৰিকলৰ পুলি বিতৰণ, শুভাৰম্ভ কৰিলে বিধায়ক মেহবুব মোক্তাৰে

নাছিদুৰ ৰহমান | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৫



কৃষকসকলক উৎসাহিত কৰাৰ লগতে কৃষিখণ্ডৰ উন্নয়নৰ লক্ষ্যৰে ধিং বিধানসভা সমষ্টিত কৃষকৰ মাজত বিনামূলীয়াকৈ নাৰিকলৰ পুলি বিতৰণ কৰা হয়।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5563

অসম

## কাছাৰত এমহীয়া কন্যা শিশুৰ কংকাল উদ্ধাৰ, পলাতক মাতৃৰ সন্ধানত আৰক্ষী

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:১৩



কাছাৰ, ৪ নৱেম্বৰ: কাছাৰ জিলাৰ জয়পুৰত এগৰাকী এমহীয়া কন্যা শিশুৰ কংকাল উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দেশ হোৱাৰ প্ৰায় এসপ্তাহৰ পাছত শিশুটিৰ ঘৰৰ সমীপৰে নদীৰ পাৰৰ পৰা কংকালটো উদ্ধাৰ কৰা হয়। এই ঘটনাত মাতৃ জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে ইতিমধ্যে অনুসন্ধান আৰম্ভ কৰিছে।

আৰক্ষীৰ সূত্ৰে প্ৰকাশ পোৱা অনুসৰি, অনামিকা সিং ছেত্ৰী নামৰ মহিলাগৰাকী প্ৰায় এসপ্তাহ পূৰ্বে এমহীয়া কন্যা সন্তানটিক লৈ ঘৰৰ পৰা নিৰুদ্দেশ হৈছিল। তেওঁৰ লগত তিনি বছৰীয়া আন এগৰাকী কন্যা সন্তানো আছিল। মহিলাগৰাকীৰ স্বামী দেবাশীষ সিং ছেত্ৰী অসমৰ বাহিৰত কৰ্মৰত হৈ আছিল।

বোৱাৰী আৰু নাতিনীহঁতৰ কোনো সন্ধান নাপাই দেবাশীষৰ পিতৃয়ে পুত্ৰক অৱগত কৰাৰ লগতে জয়পুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই অনামিকাৰ ম'বাইল ফোনৰ অৱস্থান অনুসৰণ কৰে। ম'বাইলৰ অৱস্থানৰ তথ্য অনুসৰি মহিলাগৰাকীয়ে ৰে'লেৰে অসমৰ বাহিৰলৈ যোৱা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰে।

ইয়াৰ মাজতে স্বামী দেবাশীষে হোৱাটছএপৰ জৰিয়তে পত্নীৰ সৈতে যোগাযোগ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জনোৱা মতে, সেই বাৰ্তালাপত অনামিকাই এমহীয়া কন্যা সন্তানটিক হত্যা কৰি ঘৰৰ ওচৰৰে নদীৰ পাৰত পেলাই থৈ যোৱাৰ কথা স্বামীক জনায়।

এই কথা পোহৰলৈ অহাৰ পিছতে পৰিয়ালৰ লোকে নদীৰ পাৰৰ অঞ্চলটোত বিচাৰ-খোঁচাৰ চলাই শিশুটিৰ কংকালটো প্ৰত্যক্ষ কৰে। পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অৱশেষখিনি উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5573

অসম

## ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সম্পন্ন; আছুৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ

মীৰ মুছাৰোফ হুছাইন | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩




কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন আজি শান্তিপূৰ্ণভাৱে আৰু সফলতাৰে সম্পন্ন হয়।

এইবাৰৰ নিৰ্বাচনত সদৌ অসম ছাত্ৰ সস্থা (আছু), এন এছ ইউ আই (NSUI) আৰু আমছু (AAMSU)-কে ধৰি কেইবাটাও ছাত্ৰ সংগঠনে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। অৱশ্যে নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ লগে লগে আছু সমৰ্থিত প্ৰাৰ্থীসকলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰি বৃহৎ জয় সাব্যস্ত কৰিবলৈ সক্ষম হয়।

ঘোষিত ফলাফল অনুসৰি, মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি পদত চাহাব আলী, উপ-সভাপতি পদত ছানিদুল ইছলাম, সাধাৰণ সম্পাদক পদত ছাদ্দাম বাবুল আৰু সহকাৰী সাধাৰণ সম্পাদিকা পদত ছাজিনা খাতুনে নিজৰ নিকটতম প্ৰতিদ্বন্দ্বীক বৃহৎ ভোটৰ ব্যৱধানত পৰাস্ত কৰি জয়লাভ কৰে।ফলাফল ঘোষণাৰ পাছতে মহাবিদ্যালয় চৌহদত আছু কৰ্মী তথা সমৰ্থকসকলৰ মাজত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বিজয়ী প্ৰাৰ্থীসকলে সংবাদ মাধ্যমৰ আগত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মহাবিদ্যালয়খনৰ শৈক্ষিক, আন্তঃগাঁথনিগত আৰু সামগ্ৰিক উন্নয়নৰ হকে সদায় মাত মাতি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অভাৱ-অভিযোগ আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত নৱ-নিৰ্বাচিত সমিতিয়ে সক্ৰিয় ভূমিকা পালন কৰিব বুলিও তেওঁলোকে জানিবলৈ দিয়ে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5559

অসম

## ডিব্ৰুগড়ত নাহৰফুটুকীৰ আক্ৰমণত ৪ জন আহত, ৰাইজৰ প্ৰহাৰত মৃত্যু বনৰজাৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:১১



ডিব্ৰুগড়, ২৩ নৱেম্বৰ: ডিব্ৰুগড় জিলাৰ এখন গাঁৱত সোমবাৰে এটা নাহৰফুটুকীৰ আক্ৰমণত চাৰিজনকৈ লোক আহত হয়। বন বিভাগে নাহৰফুটুকীটো উদ্ধাৰ কৰিবলৈ চলোৱা অভিযানৰ মাজতে এই ঘটনা সংঘটিত হয়। ইয়াৰ পিছতে উত্তেজিত হৈ পৰা স্থানীয় ৰাইজে বন্যপ্ৰাণীটোক হত্যা কৰে।

সোমবাৰে পুৱা জিলাখনৰ লেজাই অঞ্চলৰ চেচা দেৱানবাৰী গাঁৱত প্ৰথমে নাহৰফুটুকীটো প্ৰত্যক্ষ কৰে স্থানীয় লোকে। গাঁৱত বন্যপ্ৰাণীটো ওলোৱাৰ খবৰ পোৱাৰ লগে লগে ৰাইজে বন বিভাগক অৱগত কৰে। খবৰ পাই বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ নাহৰফুটুকীটো ধৰিবলৈ অভিযান আৰম্ভ কৰে।

অভিযোগ অনুসৰি, এই উদ্ধাৰ অভিযানৰ বাবে বন বিভাগে কোনো পৰ্যাপ্ত সা-সঁজুলি লৈ অহা নাছিল। বনকৰ্মীসকলে নাহৰফুটুকীটো ধৰিবলৈ মাত্ৰ এখন জাল লৈ আহিছিল বুলি জানিব পৰা গৈছে।

স্থানীয় ৰাইজৰ সহযোগত বনকৰ্মীসকলে নাহৰফুটুকীটো জালত পেলাবলৈ চেষ্টা চলোৱাৰ সময়তে বন্যপ্ৰাণীটোৱে জালখন ফালি ওলাই আহে। ইয়াৰ পিছতে নাহৰফুটুকীটোৱে তাত উপস্থিত থকা লোকসকলক আক্ৰমণ কৰে। ফলত চাৰিজন লোক আহত হয়।

এই আক্ৰমণৰ পিছতে ক্ষুব্ধ হৈ পৰা স্থানীয় লোকসকলে নাহৰফুটুকীটোক পিটি হত্যা কৰে। আনহাতে, আহত চাৰিওজন লোককে ততাতৈয়াকৈ চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5571

অসম

## কাছাৰত প্ৰায় ২.৫ কোটি টকাৰ য়াবা টেবলেটসহ এজন আটক

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০০




শিলচৰ, ২৩ নৱেম্বৰ: ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত থকা অভিযানৰ অংশ হিচাপে কাছাৰ আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰিছে। জিলাখনৰ ৰাজঘাটত চলোৱা এক অভিযানত প্ৰায় ২.৫ কোটি টকা মূল্যৰ সন্দেহযুক্ত ১০ হাজাৰ য়াবা টেবলেট জব্দ কৰা হৈছে। এই ঘটনাত জড়িত থকাৰ অভিযোগত এজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

এক গোপন চোৰাংচোৱা তথ্যৰ ভিত্তিত কাছাৰ আৰক্ষীয়ে ৰাজঘাট অঞ্চলত এই বিশেষ অভিযান চলাইছিল। অভিযানকালত আৰক্ষীয়ে অভিযুক্ত লোকজনক আটক কৰে আৰু তেওঁৰ জিম্মাৰ পৰা বৃহৎ পৰিমাণৰ এই নিচাযুক্ত টেবলেটখিনি উদ্ধাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5554

অসম

## শীঘ্ৰেই বৃদ্ধি হ'ব অংগনৱাড়ী কৰ্মী-সহায়িকাৰ মাননি, ঘোষণা মন্ত্ৰী অজন্তা নেওগৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫২



গুৱাহাটী, ২৩ নৱেম্বৰ: ৰাজ্যৰ অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ বাবে সুখবৰ। শীঘ্ৰেই তেওঁলোকৰ মাননি বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰিছে মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5540

অসম

## ইউজিচিৰ নিৰ্দেশনা কাৰ্যকৰী কৰাৰ দাবীত ৰাজ্যজুৰি অসম কলেজ শিক্ষক সংস্থাৰ অসহযোগ আন্দোলন

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৮




গুৱাহাটী, ২৩ নৱেম্বৰ: বিশ্ববিদ্যালয় অনুদান আয়োগ চমুকৈ ইউজিচিৰ নিৰ্দেশনা কাৰ্যকৰী কৰা আৰু দীৰ্ঘদিনীয়া বিভিন্ন দাবী পূৰণৰ দাবীত সোমবাৰৰ পৰা ৰাজ্যজুৰি দ্বিতীয় পৰ্যায়ৰ আন্দোলন আৰম্ভ কৰিছে অসম কলেজ শিক্ষক সংস্থাই (আক্টা)। এই আন্দোলনৰ অংশ হিচাপে শিক্ষক সংগঠনটোৱে সমগ্ৰ ৰাজ্যতে অসহযোগ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

আন্দোলনৰ অংশস্বৰূপে গুৱাহাটীৰ চচলত পুৱা ১১ বজাৰ পৰা দুপৰীয়া ২ বজালৈ এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5547

অসম

## মাতৃৰ অবৈধ প্ৰেমিক ৰাহুল ৰায়ৰ একাধিকবাৰ যৌন নিৰ্যাতন ৯ বছৰীয়া শিশুক ! অবৈধ প্ৰেমীকৰ বিৰুদ্ধে মাতৃৰ গোচৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৯



শিলচৰ, ২৩ নৱেম্বৰ: শিলচৰ চহৰত এগৰাকী ৯ বছৰীয়া শিশুক যৌন নিৰ্যাতন চলোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে ৩৭ বছৰীয়া ৰাহুল ৰায় ওৰফে ৰাজু ৰায় নামৰ এজন ব্যক্তিৰ বিৰুদ্ধে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5532

দেশ

## নতুন দিল্লীৰ দ্বাৰকাত তৃতীয়টো অসম ভৱন উদ্বোধন মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৯




নতুন দিল্লী, ২৩ নৱেম্বৰ:
নতুন দিল্লীৰ দ্বাৰকাত তৃতীয়টো অসম ভৱন উদ্বোধন মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ। ৪ মহলীয়া নতুন অসম হাউছত অতিথিৰ বাবে দুটা অত্যাধুনিক কোঠা আছে VIPৰ বাবে। দ্বাৰকাৰ চেক্টৰ ১৭ত বিশাল পৰিসৰত চতুর্থটো অসম ভৱনো নির্মাণ কৰা হ'ব বুলি ঘোষণা মুখ্যমন্ত্রীৰ
ৰাজধানী দিল্লীলৈ যোৱা অসমৰ লোকসকলৰ সুবিধার্থে নতুন দিল্লীৰ দ্বাৰকা ছেক্টৰ-১৩ত নৱনির্মিত অসম হাউছৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5520

অসম

## ৰাষ্ট্রীয় ঘাইপথত অবৈধ পার্কিঙৰ বিৰুদ্ধে শিৱসাগৰত আৰক্ষীৰ নৈশ অভিযান

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩১



শিৱসাগৰ, ২৩ নৱেম্বৰ: ৰাষ্ট্রীয় ঘাইপথত বিপজ্জনকভাৱে বাহন ৰখাই থোৱাৰ ফলত হ'ব পৰা পথ দুর্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে শিৱসাগৰত যান-বাহন আৰক্ষীয়ে নিশা এক বিশেষ অভিযান চলায়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5512

অসম

## তিনি সন্তানৰ মাতৃৰ সৈতে দুই সন্তানৰ পিতৃৰ পলায়নৰ অভিযোগ! পত্নীক বিচাৰি হাহাকাৰ স্বামীৰ

নাছিদুৰ ৰহমান | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৪



মৈৰাবাৰী, ২৩ নৱেম্বৰ: সংসাৰ এৰি দুই সন্তানৰ পিতৃৰ সৈতে তিনি সন্তানৰ মাতৃ পলায়ন কৰাৰ অভিযোগক লৈ মৈৰাবাৰীত সৃষ্টি হৈছে চাঞ্চল্যৰ। মৈৰাবাৰীৰ ভেলৌগুৰি আৰক্ষী থানাৰ অন্তর্গত বৰথল কছাৰী গাঁৱত সংঘটিত হৈছে এই ঘটনা।
অভিযোগ অনুসৰি, চাইফুল ইছলামৰ পত্নী নাজমা খাতুনে দুই সন্তানৰ পিতৃ জহিৰুল ইছলামৰ সৈতে ঘৰৰ পৰা পলায়ন কৰিছে। দুয়োৱে মাজত পূর্বৰে পৰা ভাই-ভনীৰ সম্পর্ক আছিল বুলিও অভিযোগ উত্থাপন হৈছে।
ইফালে, পত্নীক হেৰুৱাই এতিয়া দিশহাৰা হৈ পৰিছে চাইফুল ইছলাম। তিনি সন্তানক কেনেকৈ চোৱাচিতা কৰিব, সংসাৰ কেনেকৈ চলাব আৰু খেতি-বাতিৰ কাম কেনেকৈ কৰিব - সেই চিন্তাত ভাঙি পৰিছে তেওঁ।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5508

অসম

## গুৱাহাটী বিশ্ববিদ্যালয়ত দশম ড° অনামিকা ৰয় স্মাৰক বক্তৃতা প্রদান কৰিব তেজ হাজৰিকাই

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৯



গুৱাহাটী, ২২ নৱেম্বৰ: গুৱাহাটী বিশ্ববিদ্যালয়ত অহা ২৩ নৱেম্বৰৰ সোমবাৰে দশম ড° অনামিকা ৰয় স্মাৰক বক্তৃতা ২০২৬ অনুষ্ঠিত হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5491

অসম

## টিয়কত বিতর্কিত ব্যৱসায়ী শিৱচান্দ হাতী বৰুৱাৰ বাসগৃহত যোৱহাট অপৰাধ শাখাৰ অভিযান

NewzNow জিলা ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, পুৱা ১০:৪০



যোৱহাট জিলাৰ টিয়কত এগৰাকী বিতর্কিত ব্যৱসায়ীৰ বাসগৃহত আৰক্ষীয়ে এক বিশেষ অভিযান চলায়। যোৱহাট আৰক্ষীৰ অপৰাধ শাখাৰ এটা দলে ব্যৱসায়ী শিৱচান্দ হাতী বৰুৱাৰ ঘৰত উপস্থিত হৈ এই তালাচী অভিযান চলায়।

জানিব পৰা মতে, এটা ধন দাবীৰ গোচৰৰ সৈতে সংগতি ৰাখি আৰক্ষীয়ে এই অভিযান চলাইছে। শেহতীয়াকৈ মাছ কঢ়িয়াই অনা এখন বাহনৰ পৰা চাৰিজন যুৱকে ধন দাবী কৰাৰ এক ঘটনা পোহৰলৈ আহিছিল। সেই ধন দাবীৰ ঘটনাৰ তদন্তত ব্যৱসায়ী শিৱচান্দ হাতী বৰুৱাৰ নাম সাঙোৰ খাই পৰে।

ইয়াৰ উপৰি বিতর্কিত ব্যৱসায়ীগৰাকীৰ বিৰুদ্ধে ৰাষ্ট্রীয় ঘাইপথৰ ছিণ্ডিকেটৰ দৰে কার্যকলাপৰ সৈতেও জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোত দীর্ঘদিন ধৰি বিতর্কৰ মাজত থকা ব্যৱসায়ীগৰাকীৰ ঘৰত অপৰাধ শাখাই চলোৱা এই অভিযানে স্থানীয়ভাৱে বিশেষ চর্চা লাভ কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/5406

## এই সংখ্যাত


১ এছিয়াৰ দ্বিতীয় সর্বাধিক প্রভাৱশালী নেতা হিচাপে মূল্যায়ন প্রধানমন্ত্রী মোদীৰ, শক্তি সূচকাংকত ভাৰত তৃতীয় স্থানত

১ আছুৰ সংবিধান গ্রহণৰ ৬০ বছৰ সম্পূর্ণ: হীৰক জয়ন্তীৰ বছৰজোৰা কার্যসূচী আৰু নতুন প্রতীকচিহ্ন উন্মোচন

১ 'ৰামলীলা ময়দানৰ আধা অংশও পূৰণ কৰিব নোৱাৰিলে ৰাহুল গান্ধীয়ে' - কটাক্ষ BJP সভাপতি নীতিন নবীনৰ

১ অখিল গগৈৰ বিৰুদ্ধে ধর্ষণৰ গুৰুতৰ অভিযোগ বিজেপি নেতা শৈলেন কলিতাৰ, ফেচবুক লাইভযোগে মুকলি প্রত্যাহ্বান

১ প্রধানমন্ত্রী মোদীৰ নীতিৰ বাবে ভাৰততেই পেট্রল-ডিজেলৰ মূল্যবৃদ্ধি সর্বনিম্ন! দাবী কেন্দ্রীয় মন্ত্রী হৰদীপ সিং পুৰীৰ

২ 'ৰাজীৱ গান্ধী আৰু ছোনিয়া গান্ধী শিৱ-পার্বতী নেকি?' ৰাহুল গান্ধীক কটাক্ষ হিমন্ত বিশ্ব শর্মাৰ

২ বাবাৰ যুঁজ! 'বেদ-মহাভাৰত একোৱেই পঢ়া নাই', ধীৰেন্দ্র কৃষ্ণ শাস্ত্রীক 'ভণ্ড' আৰু 'ধূর্ত' আখ্যা বাবা ৰামদেৱৰ

২ ইউটিউবাৰ ধ্রুৱ ৰাঠীৰ বিৰুদ্ধে দিল্লীৰ আদালতৰ জামিনবিহীন গ্রেপ্তাৰী পৰোৱানা

২ বাংলাদেশত হিন্দুৰ ওপৰত নির্যাতন: হিন্দুসকলক ৰাজপথলৈ ওলাই আহিবলৈ আহ্বান পশ্চিমবংগ বিজেপিৰ সভাপতি শমিক ভট্টাচার্যৰ

৩ বিচলেৰীৰ বিৰুদ্ধে আদালতত গোচৰ তৰাৰ অনুমোদন এফএছএছএআইৰ

৩ জুবিন গার্গৰ Range rover বিক্রীৰ সিদ্ধান্তত চৰকাৰৰ ক'বলগীয়া নাই: মুখ্যমন্ত্রী

৩ ভাৰত-বাংলাদেশ সীমান্তত BSF জোৱান নিৰুদ্দেশ, বাংলাদেশলৈ অপহৰণৰ সন্দেহ

৪ নেহৰু নাথাকিলে আমাৰ হাতত ইণ্টাৰনেট নাথাকিলহেঁতেন: অভিজিৎ দীপক

৪ মণিপুৰত এম্বুলেন্স আৰু বিএছএফৰ বাহনৰ মুখামুখি সংঘর্ষ: অন্তঃসত্ত্বা মহিলাৰ মৃত্যু

৪ ত্রিপুৰাৰ পৌৰ নির্বাচনত নাথাকে ঘৰত বহি ভোটদানৰ ব্যৱস্থা, ভোটকেন্দ্রত উপলব্ধ হ'ব হুইল চেয়াৰ

৪ ইংৰাজী নাম সলনি কৰি 'পশ্চিমবংগ' কৰাৰ প্রস্তাৱ: ৯ ডিচেম্বৰত বিধানসভাত উত্থাপনৰ সম্ভাৱনা

৫ ৰাজীৱ ভৱনত প্রাক্তন মুখ্যমন্ত্রী তৰুণ গগৈৰ মৃত্যু বার্ষিকী পালন

৫ মাদ্রাছাত হিন্দুসকলৰ প্রতি ঘৃণাৰ শিক্ষা দিয়া হয়: নীতেশ ৰাণে

৫ ৰঙিয়া পৌৰসভাৰ ১০ নম্বৰ ৱার্ড বিটিআৰত অন্তর্ভুক্তিৰ বিৰুদ্ধে ৰাইজৰ প্রতিবাদ

৫ হাৰিয়ানাৰ হিসাৰত সামৰিক অনুশীলনৰ সময়ত টেংকৰ চেপাত সেনাৰ দুই জোৱানৰ কৰুণ মৃত্যু

৬ WhatsApp Web ব্যৱহাৰকাৰী সতর্কবাণী! আপোনাৰ পৰিচয় ব্যৱহাৰ কৰি হ'ব পাৰে চাইবাৰ প্রৱঞ্চনা


আৰু ২১টা খবৰ ভিতৰৰ পাততত

**NewzNow ই-কাকত**: প্রতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্রতিটো খবৰৰ সম্পূর্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen